**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 01-02-2026**
**Time : 21-25 Hrs.**

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

দেশৰ আন্তঃগাথনি খণ্ডত ব্যাপক বৃদ্ধিৰ লক্ষ্যৰে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰে। বাজেটত দেশৰ আন্তঃগাথনি, কাৰিকৰী আৰু বৈদ্যুতিন খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই বাজেটত উত্তৰ-পূৰ্বৰ ৫ খন ৰাজ্যত ৫টা বিশেষ পৰ্যটনস্থলী স্থাপন আৰু উন্নয়নৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ লগতে অঞ্চলটোৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে ৪ হাজাৰ খন ই-বাছৰ চলাচলৰ বাবেও আজিৰ বাজেটত প্ৰস্তাৱ দিয়া হয়। ইয়াৰ লগতে অসম, অৰুণাচল প্ৰদেশ, চিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিতো আজিৰ বাজেটৰ জৰিয়তে অনুমোদন জনোৱা হয়।

বাইট

মানসিক স্বাস্থ্যৰ চিকিৎসা আৰু উন্নতিৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰি আজিৰ বাজেটত ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ এটা দ্বিতীয় শাখা খোলাৰ বিষয়েও প্ৰস্তাৱ দিয়া হয়। চৰকাৰে ৰাঁচী আৰু তেজপুৰৰ ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠানকেইটাকো বিশেষ ধৰণে উন্নতকৰণ কৰিবলৈ প্ৰচেষ্টা চলাব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰে।

০০০০

ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডত গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে চিহ্নিত কৰি আজি ৩ হাজাৰ ৩০০ কোটি টকা ব্যয়সাপেক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। ইয়াৰ লগতে স্বাস্থ্য খণ্ডৰ নতুন মাত্ৰাৰ সংযোজনেৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৮৩২ খন বিচনাযুক্ত মাতৃ আৰু শিশু চিকিৎসালয়ৰ উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশ লৈ কয়, যে ১৯৬০ চনত স্থাপন হোৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালখনক উন্নত সা-সুবিধাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা হব আৰু ইয়াৰ ফলত জনসাধাৰণ উপকৃত হ'ব। এই চিকিৎসা মহাবিদ্যালয়খনক দেশৰ ভিতৰতে অন্যতম গুৰুত্বপূৰ্ণ চিকিৎসালয় হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। নতুনকৈ নিৰ্মাণ হবলগীয়া ভৱনটোত দুহেজাৰ ২৫০ খন বিছনাযুক্ত সাধাৰণ ৱাৰ্ড, ৪০০ খন বিছনাযুক্ত আছুতীয়া ৱাৰ্ড, ২৮ খন বিছনাযুক্ত জটিল আৰু লঘু অস্ত্ৰোপচাৰ কক্ষ আৰু এহেজাৰ ৬৭০ খন বাহন ৰখাৰ ঠাইৰ সুবিধা থাকিব। লগতে ২৫০ খন বিছনাযুক্ত আই চি ইউ ৱাৰ্ড, ১০০ খন বিছনাযুক্ত জৰুৰীকালীন ৱাৰ্ড আৰু ৰেডিঅ'লজী সেৱাৰ ব্যৱস্থা থাকিব। আজিৰ অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে।

০০০০

ৰাজ্যত উন্নত শিক্ষাৰ বাবে সুদৃঢ় ভেটি গঢ়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ভাৰ্চুৱেল ব্যৱস্থাৰে ৬৭ টা বিদ্যালয় ভৱন উদ্বোধন কৰাৰ লগতে ৬২ টা নতুন বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰিব। সোণাপুৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। ৭৬৫ কোটি টকা ব্যয় সাপেক্ষে এই বিদ্যালয়ৰ নতুন ভৱনসমূহ নিৰ্মাণ কৰি উলিওৱা হৈছে। ভৱনসমূহৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচীত বিধানসভা সমষ্টি অনুসৰি বিধায়কসকলে অংশগ্ৰহণ কৰিব। নতুনকৈ নিৰ্মাণ কৰি বিদ্যালয়সমূহত কম্পিউটাৰ কক্ষ, স্মাৰ্ট শ্ৰেণীকোঠা, অধ্যক্ষৰ কক্ষ, শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণীকোঠা, পৰীক্ষাগাৰ, ল'ৰা-ছোৱালীৰ পৃথক শৌচাগাৰ আদিৰ ব্যৱস্থা আছে। আধুনিক সা-সুবিধাযুক্ত এই শৈক্ষিক আন্তঃগাথনিয়ে বিশ্বমানৰ জ্ঞান অন্বেষণৰ যাত্ৰাত ৰাজ্যৰ শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

০০০০

সমাগত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা, হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু বছেৰেকীয়া পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বজালী জিলা প্ৰশাসনে পৰীক্ষা কেন্দ্ৰৰ আশে-পাশে যাতে শান্তিপূৰ্ণ পৰিবেশ বৰ্তি থাকে তাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। সেই অনুসৰি জিলাখনত আজিৰে পৰা বলবৎ হোৱাকৈ পুৱা ৯ বজাৰ পৰা নিশা ৯ বজালৈ লাউড স্পীকাৰ, মাইক্ৰ'ফোন, ৰাজহুৱা সভা আদিত উচ্চ প্ৰাবল্যৰ শব্দ, ছাউণ্ড বক্স আদি ব্যৱহাৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই নিষেধাজ্ঞা সকলো সামাজিক, ধৰ্মীয়, ৰাজনৈতিক, সংস্কৃতিক আৰু ব্যক্তিগত অনুষ্ঠানৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**